**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 28-02-2026 **Time :** 0900HRS

***Assamese MorningBulletin***

**HEADLINES**

১। ৰাজ্যত যোৱা ৫ বছৰত ১০ লাখ পৰিয়ালৰ ভূমি সংক্ৰান্তীয় অভিযোগ নিষ্পত্তি।

২। ব্ৰহ্মপুত্ৰত বাৰমাহে জাহাজ চলিব পৰাকৈ শীঘ্ৰে খনন কাৰ্য্য আৰম্ভ কৰা হ'ব বুলি কেন্দ্ৰীয়মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ ঘোষণা।

৩। ৰাজ্যত নতুন গ্ৰীণফিল্ড বিমান বন্দৰৰ সম্ভাৱনীয়তা জৰীপৰ বাবে অসম চৰকাৰ আৰু ভাৰতীয় বিমান প্ৰাধিকৰণৰ মাজত বুজাবুজিৰ চুক্তি স্বাক্ষৰ।

৪। ৰাজ্য চৰকাৰৰ উদ্যোগত আজি গুৱাহাটীত কেইবাগৰাকীও বিশিষ্ট ব্যক্তিক ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক বঁটা প্ৰদান।

**আৰু**

৫। টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত নিজ গ্ৰুপৰ শীৰ্ষ দল হিচাপে ইংলেণ্ডৰ ছেমি ফাইনেলত প্ৰৱেশ। কালি কলম্বোত ছুপাৰ এইটৰ খেলত ৪ উইকেটত নিউজিলেণ্ডৰ বিৰুদ্ধে ইংলেণ্ডৰ জয়লাভ।
০০০০০০YATRA/NP (28-02-2026) MRN.

ৰাজ্যত যোৱা ৫ বছৰত ১০ লাখ পৰিয়ালৰ ভূমি সংক্ৰান্তীয় অভিযোগ নিষ্পত্তি কৰা হৈছে। মিছন বসুন্ধৰা আৰম্ভ হোৱাৰ পাছত ভূমি সংক্ৰান্তীয় সমস্যা ৮০ শতাংশ সমাধান কৰা হৈছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি ধেমাজিত সংহত জিলা আয়ুক্তৰ কাৰ্যালয় উদ্বোধন কৰাৰ লগতে ধেমাজি, চিচিবৰগাঁও আৰু জোনাই বিধানসভা সমষ্টিৰ ৪৪ হাজাৰ ৭০০ লোকৰ মাজত মিছন বসুন্ধৰা আঁচনিৰ অধীনত ভূমিপট্টা বিতৰণ কৰি এই কথা প্ৰকাশ কৰিছে। ড০ শৰ্মাই কয় যে পূৰ্বতে ধনৰ অভাৱত বহু দৰিদ্ৰলোকে ভূমি পট্টা লব পৰা নাছিল। কিন্তু বৰ্তমান প্ৰতি বিঘাৰ বিপৰীতে মাত্ৰ ৫০০ টকা প্ৰিমিয়াম লৈ চৰকাৰে ভূমি পট্টা দিছে। মিছন বসুন্ধৰাৰ প্ৰথম পৰ্য্যায়ত ভূমি পট্টা নোপোৱা ৮০ হাজাৰ পৰিয়ালক পুনৰীক্ষণৰ পাছত পট্টা দিয়াৰ ব্যৱস্থা কৰা হৈছে বুলিও তেওঁ কয়।অনাগত ৫ বছৰত ভূমিৰ সমস্যা থকা ২-৩ লাখ মানুহৰ সমস্যা সমাধান কৰা হ'ব বুলিও ড০ শৰ্মাই উল্লেখ কৰিছে। যোৱা ৫ বছৰত ৰাজ্যৰ ডেৰ লাখ বিঘা ভূমি বেদখল মুক্ত কৰা হৈছে আৰু পৰৱৰ্তী পৰ্য্যায়ত ৫ লাখ বিঘা ভূমি বেদখল মুক্ত কৰা হ'ব বুলিও তেওঁ কয়। চাহ বাগিছাৰ শ্ৰমিকক ভূমি পট্টা দিয়াৰ কথা উল্লেখ কৰি ড০ শৰ্মাই কয় যে, অহা ১৩ মাৰ্চত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে এই পট্টা বিতৰণৰ শুভাৰম্ভ কৰিব।

ব্ৰহ্মপুত্ৰৰ বুকুত বাৰমাহে জাহাজ চলিব পৰাকৈ শীঘ্ৰে ব্ৰহ্মপুত্ৰ খনন কাৰ্য্য আৰম্ভ কৰা হ'ব। নেচনেল ড্ৰেজিং প্লাণ্টৰ মতে এই খনন কাৰ্য্য কৰা হ'ব। কালি ডিব্ৰুগড়ত কেইবাটাও প্ৰকল্প উদ্বোধন কৰি কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই কথা ঘোষণা কৰিছে। ব্ৰহ্মপুত্ৰৰ পানী অস্বাভাৱিক ভাৱে শুকুৱাক লৈ উদ্বেগ প্ৰকাশ কৰি কেন্দ্ৰীয় মন্ত্ৰী গৰাকীয়ে কয় যে ৰাজ্য চৰকাৰৰ সহযোগত চলিবলগীয়া ব্ৰহ্মপুত্ৰৰ খনন কাৰ্য্য পৰীক্ষা নিৰীক্ষা কৰাৰ পাছতে আৰম্ভ কৰা হ'ব। ব্ৰহ্মপুত্ৰত যদি বাৰমাহে জাহাজ চলিবলগীয়া হয় তেনেহ'লে ইয়াৰ গভীৰতা ২ মিটাৰ হব লাগিব বুলি তেওঁ কয়। ইতিমধ্যে ধুবুৰীত ব্ৰহ্মপুত্ৰৰ খনন কাৰ্য্য চলি থকা বুলিও শ্ৰী সোণোৱালে প্ৰকাশ কৰিছে। অৱশ্যে এই খনন কাৰ্য্যৰ সৈতে পৰিৱেশ সম্পৰ্কীয় কথাও জড়িত হৈ আছে বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰী গৰাকীয়ে কয় যে, ইয়াৰ সৈতে জড়িত সকলো দিশ আলোচনা কৰিহে কাম আৰম্ভ কৰা হ'ব। ব্ৰহ্মপুত্ৰৰ খনন সন্দৰ্ভত শ্ৰী সোণোৱালে এইদৰে কয়-

বাইট (সোণোৱাল)

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰালয়ৰ অধীনৰ  অন্তৰ্দেশীয় জলপথ প্ৰাধীকৰণৰ উদ্যোগত ডিব্ৰুগড়ৰ বগীবিলত নিৰ্মাণ কৰা সীমাশুল্ক আৰু ইমিগ্ৰেছন চৌহদ কালি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে উদ্বোধন কৰে। মন্ত্ৰীগৰাকীয়ে লগতে ডিব্ৰুগড় চহৰৰ মাজমজিয়াত নতুন ৰূপত নিৰ্মাণ কৰা ঐতিহ্য ভৱনটোও মুকলি কৰে। এই উপলক্ষে ডিব্ৰুগড়ৰ চৌকিদিঙি খেলপথাৰত আয়োজিত অনুষ্ঠানৰ পৰাই শ্ৰী সোণোৱালে ধুবুৰীৰ সীমাশুল্ক আৰু ইমিগ্ৰেছন চৌহদো উদ্বোধন কৰে।  এই প্ৰকল্পসমূহে অসমসহ সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাণিজ্য, পৰ্যটন আৰু যোগাযোগ ব্যৱস্থা অধিক সুদৃঢ় কৰিব বুলি আশা কৰা হৈছে।

০০০০০০০

সমাগত নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যিক বিজেপিয়ে প্ৰতিদিনে ১ লাখ লোকৰ সৈতে সম্পৰ্ক স্থাপনৰ লক্ষ্যৰে আজি জন আশীৰ্বাদ যাত্ৰা আৰম্ভ কৰিব। ঢেকীয়াজুলি বিধানসভা সমষ্টিৰ গোপেশ্বৰ মন্দিৰৰ পৰা এই যাত্ৰা আৰম্ভ হ'ব। ৰাজ্যৰ প্ৰতিটো অঞ্চলৰ জনসাধাৰণৰ লগত সম্পৰ্ক স্থাপনৰ লক্ষ্যৰে মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা আৰু ৰাজ্যিক সভাপতি দিলীপ শইকীয়াৰ নেতৃত্বত হ'বলগীয়া এই যাত্ৰাৰ প্ৰথম পৰ্যায়ৰ কাৰ্যসূচী ইতিমধ্যে ঘোষণা কৰা হৈছে। এই যাত্ৰাৰ জৰিয়তে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ জন কল্যাণমূলক কাম-কাজসমূহ জনসাধাৰণৰ মাজলৈ লৈ যোৱাৰ লগতে সমাগত বিধানসভা নিৰ্বাচনৰ বাবে বিজেপিয়ে ৰাজ্যবাসীৰ আশীৰ্বাদ বিচাৰিব। দলীয় সূত্ৰই প্ৰকাশ কৰা মতে মুখ্যমন্ত্ৰীগৰাকীয়ে আজি ঢেকীয়াজুলি, বৰছলা, তেজপুৰ, ন-দুৱাৰ আৰু ৰঙাপৰা সমষ্টিত জন আশীৰ্বাদ যাত্ৰাত অংশ লোৱাৰ পাছত ক্ৰমে গহপুৰ, বিহপুৰীয়া, ৰঙানদী, নাওবৈচা, জোনাই, খোৱাং, তিনিচুকীয়া আদি অঞ্চলতো প্ৰচাৰ চলাব।

ইপিনে, বিজেপিৰ ৰাজ্যিক মুখ্য কাৰ্যালয়, বাজপেয়ী ভৱনত ইতিমধ্যে আৰম্ভ হোৱা ডিজিটেল প্ৰচাৰ কাৰ্যসূচী 'মোদীৰ বন্ধু' শীৰ্ষক অভিযানৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই শুভাৰম্ভণি কৰে। এই কাৰ্যসূচীৰ জৰিয়তে ডিজিটেল প্লেটফ'ৰ্মৰ লগত জড়িত লক্ষাধিক যুৱক-যুৱতীয়ে কেন্দ্ৰীয় চৰকাৰ তথা ৰাজ্য চৰকাৰৰ উন্নয়নমূলক কাম-কাজ সম্পৰ্কে সামাজিক মাধ্যমত বিস্তৃত ৰূপত প্ৰচাৰ কৰি জনসাধাৰণক অৱগত কৰাৰ প্ৰয়াস কৰিছে। বিধানসভা নিৰ্বাচনৰ প্ৰচাৰৰ বাবে প্ৰস্তুত কৰা বিজেপিৰ তিনিটা নিৰ্বাচনী গীত কালি মুখ্যমন্ত্ৰী ডং শৰ্মাই

মুকলি কৰে। এই গীতৰ জৰিয়তে দলৰ দৃষ্টিভংগী আৰু সংকল্প অধিক শক্তিশালীভাৱে জনসাধাৰণৰ আগত তুলি ধৰিবলৈ চেষ্টা কৰা হ'ব বুলি ৰাজ্যিক বিজেপিৰ সূত্ৰত প্ৰকাশ পাইছে।

আনহাতে, সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি অসম প্ৰদেশ কংগ্ৰেছেও ৰাজ্যজুৰি কেতবোৰ কাৰ্যসূচী গ্ৰহণ কৰিছে। এই কাৰ্যসূচীৰ অংশ হিচাপে যোৰহাটত কালি অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈয়ে সময় পৰিৱৰ্তনৰ, জাতি বচাওক, মাটি বচাওক যাত্ৰাত অংশগ্ৰহণ কৰে। শাসকীয় বিজেপি চৰকাৰে ভোটৰ ৰাজনীতিৰ স্বাৰ্থত মহিলাসকলক এটা পিঞ্জৰাৰ ভিতৰত আৱদ্ধ কৰি ৰাখিছে বুলি গৌৰৱ গগৈয়ে অভিযোগ কৰে।

এই যাত্ৰাত গৌৰৱ গগৈক অসম বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, ৰাজ্য সভাৰ প্ৰাক্তন সাংসদ ৰিপুণ বৰা, তিতাবৰৰ বিধায়ক ভাস্কৰজ্যোতি বৰুৱা, প্ৰাক্তন বিধায়ক ৰাজীৱ লোচন পেগুকে ধৰি যোৰহাট জিলা কংগ্ৰেছৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতা-কৰ্মীয়ে সংগ দিয়ে। প্ৰদেশ কংগ্ৰেছৰ সূত্ৰই সদৰি কৰা মতে আজি গৌৰৱ গগৈৰ নেতৃত্বত শিৱসাগৰ আৰু ডিমৌত সময় পৰিৱৰ্তনৰ শীৰ্ষক যাত্ৰা কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব।

০০০০০০০

ৰাজ্যত নতুন গ্ৰীণফিল্ড বিমান বন্দৰৰ সম্ভাৱনীয়তা জৰীপৰ বাবে কালি অসম চৰকাৰ আৰু ভাৰতীয় বিমান প্ৰাধিকৰণৰ মাজত এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰা হয়। দিছপুৰৰ লোকসেৱা ভৱনৰ সংবাদ সন্মিলন কক্ষত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা অতিথি হিচাপে উপস্থিত থাকে। গ্ৰীণফিল্ড বিমান বন্দৰৰ বাবে মানস ৰাষ্ট্ৰীয় উদ্যান অঞ্চল, উমৰাংছ', মাজুলী আৰু ডিফুৰ নাম প্ৰস্তাৱ কৰা হৈছে। অনুষ্ঠানত আঞ্চলিক বিমান যোগাযোগ ব্যৱস্থাৰ সৰলীকৰণ, পৰ্যটন খণ্ডৰ বিকাশ আৰু অৰ্থনৈতিক উন্নয়নৰ প্ৰসাৰ আৰু বাণিজ্যিক সুযোগ বৃদ্ধি তথা কৌশলগত সংযোগৰ সুচল কৰণ সন্দৰ্ভত আলোচনা কৰা হয়। এই চুক্তিয়ে আঞ্চলিক বিমান যোগাযোগ ব্যৱস্থা সৰল কৰাৰ লগতে পৰ্য্যটন ক্ষেত্ৰৰ বিকাশ আৰু অৰ্থনৈতিক উন্নয়নৰ প্ৰসাৰ ঘটাব বুলি আশা কৰা হৈছে। বুজাবুজি চুক্তি স্বাক্ষৰ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই এইদৰে কয়- (বাইট)

০০০০০০০

ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ অধীনত আজি ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ৰ বঁটাসমূহ প্ৰদান কৰা হ'ব। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী দামোদৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত হ'বলগীয়া এই বঁটা প্ৰদান অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। দিনৰ ১২ বজাত হ'বলগীয়া এই অনুষ্ঠানত গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ বিজুলী কলিতা মেধিয়ে অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানত ২০২৫ বৰ্ষত লোকপ্ৰিয় গোপীনাথ বৰদলৈ ৰাষ্ট্ৰীয় সংহতি বঁটা ডং অমলেন্দু চক্ৰৱৰ্তীক প্ৰদান কৰা হ'ব। ২০২৫ বৰ্ষৰ কৃষ্ণকান্ত সন্দিকৈ ৰাষ্ট্ৰীয় বঁটা মনেশ্বৰ দেউৰীলৈ আগবঢ়োৱা হ'ব। একেদৰে ৰাজ্যিক বঁটা শিতানত ২০২৬ বৰ্ষৰ শিল্পী বঁটা লোকগীতৰ শিল্পী ধনদা পাঠকলৈ আগবঢ়োৱা হৈছে। মৰণোত্তৰভাৱে শিল্পী সমৰ হাজৰিকাক ২০২৬ বৰ্ষৰ শিল্পী বঁটা প্ৰদান কৰা হ'ব। ২০২৫ বৰ্ষৰ নটসূৰ্য ফণী শৰ্মা বঁটা কৰুণা ডেকালৈ, ডং ভৱেন্দ্ৰনাথ শইকীয়া বঁটা অৰূপ মান্নালৈ আৰু বিজু ফুকন বঁটা অৰুণীৰঞ্জন পাঠকলৈ আগবঢ়োৱা হ'ব।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ উপ-সঞ্চালক তথা বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে আজি তেওঁৰ কৰ্ম জীৱনৰ সামৰণি মাৰিব। ৩৩ বছৰৰো অধিক কালৰ সুদীৰ্ঘ চাকৰি জীৱনত ভাৰতীয়

তথ্য সেৱাৰ বিষয়া হিচাপে তেওঁ আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ লগতে ক'লকাতা, গুৱাহাটী আৰু ইম্ফল দূৰদৰ্শন কেন্দ্ৰ আৰু কেন্দ্ৰীয় চলচ্চিত্ৰ প্ৰমাণন পৰিষদৰ গুৱাহাটী কাৰ্যালয়ৰ আঞ্চলিক বিষয়াৰূপে কাৰ্য্যনিৰ্বাহ কৰিছিল। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ সমূহ বিষয়া-কৰ্মচাৰীয়ে অন্তিমটো কৰ্মদিনৰ দিনা কালি তেওঁক আনুষ্ঠানিকভাৱে বিদায় সম্ভাষণ জনায়। কেন্দ্ৰৰ মুৰব্বী তথা উপ-সঞ্চালকপ্ৰধান ৰবীন চন্দ্ৰ বড়োৱে বৰঠাকুৰৰ সমাজ সচেতনতাৰ বিষয়ে উল্লেখ কৰে আৰু পৰৱৰ্তী সময়তো আকাশবাণীৰ উত্তৰোত্তৰ উন্নতি সাধনৰ বাবে পৰামৰ্শ আগবঢ়াই যাবলৈ তেওঁক আহ্বান জনায়। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ সংবাদকৰ্মীসকলেও কালি দুপৰীয়াৰ ভাগত বিদায়ী বাতৰি বিভাগৰ মুৰব্বীগৰাকীক আন্তৰিকভাৱে বিদায় সম্ভাষণ জনায়।

বিদায়ী উপ-সঞ্চালক ৰাজীৱ লোচন বৰঠাকুৰৰ বৰ্ণময় জীৱন পৰিক্ৰমাৰ বিষয়ে আজি নিশা ৮ বাজি দুই মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত শ্ৰোতাসকলে তেওঁৰ মুখৰ পৰাই শুনিবলৈ পাব। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অনুষ্ঠান কাৰ্যবাহী ঋতুপৰ্ণ দাস আৰু জ্যেষ্ঠ বাতৰি পৰিৱেশিকা অৰুণিমা গোস্বামীয়ে আঁত ধৰিবলগীয়া এই আলাপত কেইবাগৰাকীও সংবাদকৰ্মী আৰু টেলিফোন আৰু ফে'চবুকযোগে সংযুক্ত হোৱা শ্ৰোতাই অংশগ্ৰহণ কৰিব। এই অনুষ্ঠান মহাবাহু শাখাৰ লগতে বাতৰি বিভাগৰ ইউটিউব চেনেলযোগে পোনপটীয়াকৈ প্ৰচাৰিত হ'ব। এই অনুষ্ঠান আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ ফে'চবুক পেজত ভিডিঅ' ৰূপতো প্ৰচাৰিত হ'ব।

০০০০০০০

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত কালি কলম্বোৰ আৰ প্ৰেমাদাছা ষ্টেডিয়ামত অনুষ্ঠিত ছুপাৰ এইটৰ এখন খেলত ইংলেণ্ডে নিউজিলেণ্ডক ৪ উইকেটত পৰাস্ত কৰে। নিউজিলেণ্ডে নিৰ্দ্ধাৰণ কৰি দিয়া ১৬০ ৰানৰ লক্ষ্য ইংলেণ্ডে ৬টা উইকেটৰ বিনিময়ত ১৯ অভাৰ ৩টা বলতে সম্পূৰ্ণ কৰে। ইংলেণ্ডৰ হৈ টম বেন্টনে সৰ্বাধিক ৩৩ ৰান কৰাৰ বিপৰীতে ৰিল জেকছে ৩২ ৰান কৰি আউট নোহোৱাকৈ থাকে। নিউজিলেণ্ডৰ হৈ ৰাচিন ৰবীন্দ্ৰই তিনিটা উইকেট দখল কৰে।

ইপিনে আজি শ্ৰীলংকা পাল্লেকেলে আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত হ'বলগীয়া ছুপাৰ এইটৰ এখন খেলত পাকিস্তান শ্ৰীলংকাৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব।

ভাৰত কাইলৈ কলকাতাৰ ইডেন গাৰ্ডেনছত ছুপাৰ এইটৰ অন্তিমখন খেলত ৱেষ্ট ইণ্ডিজৰ মুখামুখি হ'ব। টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছেমি ফাইনেল খেল দুখন ৪ আৰু মাৰ্চত আৰু ফাইনেল খেলখন ৮ মাৰ্চত অনুষ্ঠিত হ'ব।

০০০০০০০০

দিল্লীৰ প্ৰাক্তন মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালসহ আন আন সকলক আবকাৰী নীতি গোচৰত আদালতে দোষমুক্ত কৰাৰ বাতৰি অসমীয়া **প্ৰতিদিন কাকতে** প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ অংশ হিচাপে সমগ্ৰ ৰাজ্যতে প্ৰথম পৰ্যায়ৰ ই ভি এম পৰীক্ষণ সমাপ্ত হোৱাৰ বাতৰি **ড্যা চেণ্টিনেল কাকতে** প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ব্ৰহ্মপুত্ৰৰ বুকুত বাৰমাহে জাহাজ চলিব পৰাকৈ শীঘ্ৰে ব্ৰহ্মপুত্ৰ খনন কাৰ্য্য আৰম্ভ হ'ব। ডিব্ৰুগড়ত কালি কেইবাটাও প্ৰকল্প উদ্বোধন কৰি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে ঘোষণা কৰাৰ বাতৰিটো **ডি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি ধেমাজিৰ দেউৰি বিলত আয়োজিত এটা অনুষ্ঠানত মিছন বসুন্ধৰা তৃতীয় পৰ্যায়ৰ অধীনত ৰাজ্যৰ **১** লাখ ৬০ হাজাৰ পৰিয়ালক ভূমি পট্টা প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰাৰ বাতৰি **অসমীয়া খবৰ**, **দৈনিক অগ্ৰদূত** আদি কাকতে প্ৰকাশ কৰিছে। আফগানিস্তানৰ বিৰুদ্ধে পাকিস্তানে মুকলি যুদ্ধ ঘোষণা কৰাৰ বাতৰি

**দৈনিক অসম** কাকতে- পাকিস্তান- আফগানিস্তানৰ মুকলি যুদ্ধ, দুই পক্ষৰে ৩ শতাধিক সৈন্য নিহত- এই শিৰোনামেৰে আলেকচিত্ৰসহ প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বিধানসভা নিৰ্বাচনৰ পূৰ্বে প্ৰতিদিনে ১ লাখ লোকৰ সৈতে সম্পৰ্ক গঢ়াৰ লক্ষ্যৰে বিজেপিয়ে আজিৰে পৰা জন আশীৰ্বাদ যাত্ৰা আৰম্ভ কৰাৰ বাতৰি **নিয়মীয়া বাৰ্তা** কাকতখনে প্ৰথম পৃষ্ঠাত স্থান দিছে। **দৈনিক জনমভূমি** কাকতখনে প্ৰয়াত শিল্পী জুবিন গাৰ্গক মৰণোত্তৰভাবে ৩টা ফিল্মফেয়াৰ বঁটা প্ৰদান কৰাৰ বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

00000

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩১ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৮ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ আৰু অসমৰ ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ আৰু মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ বতৰ শুকান হৈ থকাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

00000000